পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ
सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

EXTRAORDINARY

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

PUBLISHED BY THE AUTHORITY

নং 516 দিশপুৰ, বৃহস্পতিবাৰ, 3 ছেপ্টেম্বৰ, 2026, 12 ভাদ, 1948 (শক)

No. 516 Dispur, Thursday, 3rd September, 2026, 12th Bhadra, 1948 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**NOTIFICATION**

The 3rd September, 2026

**No. LGL.66/2021/25.–** The following Act of the Assam Legislative Assembly which received the assent of the Hon'ble Governor of Assam on 31st August, 2026 is hereby published for general information.

**ASSAM ACT NO. XIX OF 2026**

**(Received the assent of the Hon'ble Governor of Assam on 31st August, 2026)**

## THE ASSAM GOODS AND SERVICES TAX (AMENDMENT) ACT, 2026

# AN
# ACT

to amend the Assam Goods and Services Tax Act, 2017.

Preamble

Whereas, it is expedient to amend the Assam Goods and Services Tax Act, 2017, hereinafter referred to as the principal Act, in the manner hereinafter appearing; Assam Act No. XXVIII of 2017

It is hereby enacted in the Seventy-seventh Year of the Republic of India, as follows: -

Short title, extent and commencement

1. (1) This Act may be called the Assam Goods and Services Tax (Amendment) Act, 2026.

(2) It extends to the whole of Assam.

(3) Save as otherwise provided, the provisions of this Act shall come into force on such date as the Government may, by notification in the Official Gazette, appoint:

Provided that different dates may be appointed for different provisions of this Act and any reference in any such provision to the commencement of this Act shall be construed as a reference to the coming into force of that provision.

Amendment of section 15

2. In the principal Act, in section 15, in sub-section (3), for clause (b), the following shall be substituted, namely:-

"(b) after the supply has been effected, if for such discount, a credit note has been issued by the supplier and input tax credit as is attributable to such discount has been reversed by the recipient of the supply, in accordance with the provisions of section 34.".

Amendment of section 34

3. In the principal Act, in section 34, in sub-section (1), in the fifth line, in between the words "deficient" and punctuation mark ",", the words, brackets, letter and figures "or where a discount referred to in clause (b) of sub-section (3) of section 15 is given" shall be inserted.

Amendment of section 54

4. In the principal Act, in section 54,-

(i) in sub-section (6), in the third line, in between the words "goods or services or both" and "made by registered persons", the words, brackets and figures "or of unutilised input tax credit allowed under clause (ii) of the first proviso to sub-section (3) of this section" shall be inserted;

(ii) in sub-section (14), in the second line, in between the words, brackets and figures "sub-section (6)", and "shall be paid" the words and punctuation mark ", other than cases where refund of tax is claimed on account of goods exported out of India with payment of tax," shall be inserted.

**MEHBOOBA BEGUM,**
Joint Secretary (Secretary In Charge) to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.

## ২০২৬ চনৰ অসম অধিনিয়ম নং ১৯

## (২০২৬ চনৰ ৩১ আগষ্ট তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)

# অসম সামগ্ৰী আৰু সেৱা কৰ (সংশোধন) অধিনিয়ম, ২০২৬

এখন

অধিনিয়ম

৩ ছেপ্টেম্বৰ, ২০২৬

অসম সামগ্ৰী আৰু সেৱা কৰ অধিনিয়ম, ২০১৭ ক সংশোধন কৰাৰ বাবে।

প্ৰস্তাৱনা — যিহেতু, অসম সামগ্ৰী আৰু সেৱা কৰ অধিনিয়ম, ২০১৭, মূল অধিনিয়ম বুলি যিখনক ইয়াৰ পিছত উল্লেখিত হৈছে, ইয়াৰ পিছত উল্লেখ কৰা ধৰণেৰে সংশোধন কৰাটো কালোচিত; (২০১৭ চনৰ অসম অধিনিয়ম নং XXVIII)

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ সাতসত্তৰতম বৰ্ষত ইয়াক নিম্নলিখিত ধৰণেৰে অধিনিয়মিত কৰা হৈছে :—

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ — ১। (১) এই অধিনিয়মখন অসম সামগ্ৰী আৰু সেৱা কৰ (সংশোধন) অধিনিয়ম, ২০২৬ বুলি অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ সমগ্ৰ অসমতে হ'ব।

(৩) অন্যথা উপবন্ধিতৰ ব্যতিৰেকে, এই অধিনিয়মৰ উপবন্ধাৱলী চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, নিয়ত কৰা তেনে তাৰিখত বলবৎ হ'ব :

পৰন্তু এই অধিনিয়মৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে পৃথক পৃথক তাৰিখ নিয়ত কৰিব পাৰে আৰু এনে কোনো উপবন্ধত এই অধিনিয়ম প্ৰাৰম্ভণৰ প্ৰতি থকা কোনো প্ৰসংগ নিৰ্দেশক সেই উপবন্ধ বলবৎকৰণৰ এক প্ৰসংগ নিৰ্দেশ বুলি গণ্য কৰা হ'ব।

ধাৰা ১৫ ৰ সংশোধন — ২। মূল অধিনিয়মত, ধাৰা ১৫ ত, উপ-ধাৰা (৩) ত, খণ্ড (খ) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:—

"(খ) যোগান সম্পন্ন হোৱাৰ পিছত, যদি এনে ৰেহাইৰ বাবে, ধাৰা ৩৪-ৰ উপবন্ধাৱলী অনুসৰি, যোগানকাৰীয়ে এক পাওনা টোকা জাৰি কৰিছে আৰু এনে ৰেহাইৰ বাবে নিৰ্ধাৰিত ইনপুট কৰ জমাধন যোগান প্ৰাপকে ওভোটাই দিছে।"

ধাৰা ৩৪ ৰ সংশোধন — ৩। মূল অধিনিয়মত, ধাৰা ৩৪ ত, উপ-ধাৰা (১) ত, পঞ্চম শাৰীত, শব্দাৱলী "অভাৱ" আৰু বিৰাম চিহ্ন "," ৰ মাজত, শব্দাৱলী, বন্ধনী, আখৰ আৰু সংখ্যা "বা য'ত ধাৰা ১৫ ৰ উপ-ধাৰা (৩)ৰ খণ্ড (খ)ত উল্লেখিত এক ৰেহাই দিয়া হয়" অন্তঃস্থাপিত হ'ব।

ধাৰা ৫৪ ৰ সংশোধন — ৪। মূল অধিনিয়মত, ধাৰা ৫৪-ত,-

(i) উপ-ধাৰা (৬)ত, তৃতীয় শাৰীত, শব্দাৱলী "সামগ্ৰী বা সেৱা বা দুয়োটাৰে যোগান" আৰু "পঞ্জীভুক্ত ব্যক্তিৰ দ্বাৰা কৰা" ৰ মাজত, শব্দাৱলী, বন্ধনী আৰু সংখ্যা "বা এই ধাৰাৰ উপ-ধাৰা (৩)ৰ প্ৰথম অনুবিধিৰ খণ্ড (ii)ৰ অধীনত অনুমোদিত অব্যৱহৃত ইনপুট কৰ জমাধনৰ" অন্তঃস্থাপিত হ'ব;

(ii) উপ-ধাৰা (১৪) ত, দ্বিতীয় শাৰীত, শব্দাৱলী, বন্ধনী আৰু সংখ্যা "উপ-ধাৰা (৬)", আৰু "পৰিশোধ কৰিব লাগিব" ৰ মাজত, শব্দাৱলী আৰু বিৰাম চিহ্ন ", ক্ষেত্ৰসমূহ য'ত কৰ পৰিশোধ কৰি ভাৰতৰ পৰা ৰপ্তানি কৰা সামগ্ৰীৰ বাবে কৰ ঘূৰাই দিয়াৰ দাবী কৰাৰ বাহিৰে" অন্তঃস্থাপিত হ'ব।

**মেহবুবা বেগম,**
যুটীয়া সচিব (ভাৰপ্ৰাপ্ত সচিব), অসম চৰকাৰ
বিধান বিভাগ, দিশপুৰ, গুৱাহাটী-৬।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 1031 - 10 + 10 - 03 - 09 - 2026. (visit at– dpns.assam.gov.in)